# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 13-April-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

### HEADLINES

::::::::::::::::::

১।	অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ আজি উৰুকা। ৰাজ্যজুৰি উছাহ-উদ্দীপনা পৰিলক্ষিত।

২।	প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন।

৩।	অসম বিধানসভা নিৰ্বাচনৰ মুঠ ভোটদানৰ হাৰ সলনি কৰি থকা হৈছে বুলি প্ৰচাৰিত বাতৰি ভিত্তিহীন বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ স্পষ্টিকৰণ।

**আৰু**

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছান ৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি।

ooooo

বাপতিসাহোন ৰঙালী বিহুৰ আজি উৰুকা। কাইলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। গৰু বিহুৰ বাবে প্ৰয়োজনীয় মাখিয়তি, দীঘলতিকে ধৰি সামগ্ৰী সমূহ কিনিবলৈ ৰাজ্যৰ বজাৰ সমূহত বহু লোকৰ সমাগম হৈছে। কাইলৈ পুৱাই গ্ৰামাঞ্চলৰ জনসাধাৰণে নৈ, বিল আদিত গৰুক গা-ধুৱাই, লাও-বেঙেনা, হালধি আদি খুৱাই কৃষিৰ বাবে প্ৰয়োজনীয় গৰুৰ শ্ৰীবৃদ্ধিৰ বাবে পৰম্পৰা পালন কৰিব। পৰহিলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাঁচিব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা প্ৰায় সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। বিভিন্ন বিহু কমিটীয়ে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

নুনমাটি বিহু সন্মিলনী, পূব গুৱাহাটী বিহু সন্মিলনীয়েও বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপন কৰিব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাবে বেলতলা ব'হাগী উৎসৱ উদযাপন সমিতিয়ে এইবাৰ বিহুৰ অনুষ্ঠান বাতিল কৰিছে।

চৰাইদেউ জিলাতো বিহু উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষকসকলে গৰু বিহুৰ দিনা গৰুক গা ধুৱাই নতুন পঘা দিয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মাজুলী জিলাতো বিহু উপলক্ষে ৰাইজৰ মাজত ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত অসমী বহাগী মেলা অনুষ্ঠিত হৈছে। তামুলপুৰ জিলাত এই মেলাত স্থানীয় সামগ্ৰীৰ ভালেসংখ্যক বিপণীয়ে অংশ লৈছে। আজি মেলাৰ সামৰণি পৰিব।

কাৰ্বি আংলং জিলাৰ ডিফুতো অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত ২০ খন আত্মসহায়ক গোটৰ বিপণী মুকলি কৰা হৈছে।

পশ্চিম কাৰ্বি আংলঙটো তিনিদিনীয়াকৈ আয়োজিত এই মেলাৰ আজি সামৰণি পৰিব। ৩০ খন থলুৱা সামগ্ৰীৰ বিপনী মেলাত মুকলি কৰা হৈছে। এই সন্দৰ্ভত জিলা কাৰ্যসূচী প্ৰবন্ধক মাধুয্য বৰাই এইদৰে কয়–

(বাইট)

গোৱালপাৰা জিলাতো ৰঙালী বিহু উপলক্ষে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ শ'লমাৰীত তিনিদিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলাখনত বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু পালনৰ বাবে সাজু হৈছে।

বহিঃৰাজ্যৰ যন্ত্ৰচালিত তাঁতশালৰ গামোচা কোনো অসাধু ব্যৱসায়ীয়ে যাতে বিক্ৰী কৰিব নোৱাৰে তাৰবাবে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বজাৰসমূহত সতৰ্ক দৃষ্টি ৰাখিছে।

ooooo

প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন কৰা হয়। মুম্বাইৰ এখন ব্যক্তিগত হাস্পতালত কালি ৯২ বছৰ বয়সত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। মহানগৰখনৰ ল'ৱাৰ পৰেলত থকা শিল্পীগৰাকীৰ বাসগৃহত আজি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ ব্যৱস্থা কৰা হয়। কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত হৈ থকা আশা ভোশলেয়ে আঠ দশকৰো অধিক কাল বলিউদৰ সংগীত জগতত বহু কালজয়ী গীতত কণ্ঠদান কৰিছিল। ৯ বছৰ বয়সত সাংস্কৃতিক যাত্ৰা আৰম্ভ কৰা সুকণ্ঠি গায়িকাগৰাকীয়ে হিন্দী, মাৰাঠী, বাংলা, গুজৰাটী, পাঞ্জাবী, ভোজপুৰী, তামিল, মালায়ালম, অসমীয়া আৰু ইংৰাজী ভাষাকে ধৰি বিভিন্ন ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল।

ooooo

ৰাজ্য বিধানসভা আৰু সংসদত মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ পোষকতা কৰা নাৰী শক্তি বন্দন অধিনিয়মক লৈ অহা ১৬ এপ্ৰিলৰ পৰা তিনি দিনিয়াকৈ সংসদৰ বিশেষ অধিৱেশনত আলোচনা অনুষ্ঠিত হ'ব। এই অধিনিয়ম সন্দৰ্ভত নতুন দিল্লীত আয়োজিত সন্মিলনত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ দিয়ে। শ্ৰী

মোদীয়ে নিজৰ ভাষণত ভাৰতৰ নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সফলতাৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰে। তেওঁ মহিলাৰ সৱলীকৰণৰ বাবে সকলোকে একগোট হৈ সুযোগ সমূহৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনায়।  নাৰী শক্তি বন্দন সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে মহিলা সবলীকৰণৰ বাবে উৎসৰ্গিত একবিংশ শতিকাৰ অন্যতম বৃহৎ সিদ্ধান্ত গ্ৰহণৰ দিশত অগ্ৰসৰ হৈছে। তেওঁ কয় যে, ভাৰতীয় সংসদ, অতীত আৰু ভৱিষ্যতৰ অভিলাষ পূৰণ কৰিব পৰাকৈ নতুন ইতিহাস সৃষ্টিৰ পথেৰে আগবাঢ়িছে। ৰাজ্যৰ বিধানসভাৰ পৰা দেশৰ সংসদ ভৱনলৈ মহিলা সকলৰ কেইবাদশকজোৰা অপেক্ষাৰ অহা ১৬, ১৭ আৰু ১৮ এপ্ৰিলত অন্ত পৰিব বুলি তেওঁ কয়। ২০২৩ চনত সংসদৰ নতুন ভৱনত চৰকাৰে নাৰী শক্তি বন্দন অধিনিয়ম প্ৰবৰ্তনৰ প্ৰথমটো পদক্ষেপ লৈছিলে বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, গণতন্ত্ৰত মহিলাৰ সৱলীকৰণে সমগ্ৰ প্ৰক্ৰিয়াটোক শক্তিশালী কৰে আৰু সেইবাবে সদনত মহিলাসকলৰ  আসন সংৰক্ষণ অত্যন্ত গুৰুত্বপূৰ্ণ।

স্বাধীনতা সংগ্ৰামৰ পৰা সংবিধান সভালৈ ভাৰতীয় মহিলা সকলে স্বাধীন ভাৰত গঢ়াৰ ক্ষেত্ৰত লৈ অহা শক্তিশালী ভূমিকাৰ বিষয়ে তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে কয় যে, ভাৰতীয় মহিলা সকলে নিজস্ব গৰিমাৰে ৰাষ্ট্ৰপতিৰ পৰা প্ৰধানমন্ত্ৰীলৈ দেশৰ শীৰ্ষ পদবীত অধিষ্ঠিত হৈছে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ মহিলাৰ নেতৃত্ব প্ৰদানৰ উল্লেখনীয় উদাহৰণ বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে, সম্প্ৰতি ১৪ লাখৰো অধিক মহিলাই দেশৰ স্থানীয় নিকায় সমূহত সেৱা আগবঢ়াই আছে। ২০১৪ চনৰ পৰা এন ডি এ চৰকাৰে জীৱনৰ প্ৰতিটো স্তৰতে মহিলা সকলক সহায় আগবঢ়াব পৰা আঁচনি প্ৰণয়ন আৰু ৰূপায়ন কৰি আহিছে।

০০০০০

অসম বিধানসভা নিৰ্বাচনৰ মুঠ ভোটদানৰ হাৰ সলনি কৰি থকা হৈছে বুলি ৰাজ্যখনৰ একাংশ বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত বাতৰি ভিত্তিহীন বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত এটা বিজ্ঞপ্তিত স্পষ্ট কৰি দিয়া হৈছে। বিজ্ঞপ্তিটোত কোৱা হৈছে যে ভোটদানৰ সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ নোহোৱা পৰ্যন্ত মুঠ ভোটদানৰ পৰিসংখ্যা প্ৰকাশ কৰাটো সম্ভৱ নহয়। শ্ৰীভূমি জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলগা হোৱাৰ বাবে যোৱা ১১ এপ্ৰিলত পুনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছিল আৰু ইয়াৰ পাছতেই ভোটদানৰ সৰ্বমুঠ শতাংশ প্ৰকাশ কৰা হৈছে।

০০০০০

অধ্যাপক ৰমেশ চন্দ্ৰ ভৰদ্বাজ আৰু প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীলৈ ২০২৬ বৰ্ষৰ অষ্টম গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা আগবঢ়োৱা হৈছে। অহা ১৮ এপ্ৰিলত গুৰুদেৱ কালিচৰণ ব্ৰহ্ম জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। শিক্ষা, সমাজসেৱাকে ধৰি কেইবাটাও বিষয়ত আগবঢ়োৱা বৰঙণিৰ বাবে কালিচৰণ ব্ৰহ্ম ন্যাসে এই বঁটা প্ৰদান কৰি আহিছে। বঁটা প্ৰাপক অধ্যাপক ভৰদ্বাজ ভাৰতীয় দৰ্শনৰ পণ্ডিত আৰু তিনি দশকৰো অধিক কাল দিল্লী বিশ্ববিদ্যালয়ৰ বিদ্যায়াতনিক অভিজ্ঞতাৰে পৰিপুষ্ট। তেওঁ মহৰ্ষি বাল্মিকী সংস্কৃত বিশ্ববিদ্যালয়ত প্ৰথমে সংস্কৃত বিষয়ৰ মুৰব্বী আৰু পাছলৈ উপাচাৰ্য হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। বৈদিক অধ্যয়ন, মিমাংসা দৰ্শেন আৰু ইণ্ডো-ইউৰোপীয় গৱেষণাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ খ্যাতি আছিল। ইপিনে, প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীক সামাজিক, ৰাজনৈতিক ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে।

১৯৮৩-৮৬ চনলৈ তেওঁ সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতি  হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। ১৯৯১ৰ পৰা ৯৬ আৰি ২০০১ৰ পৰা ২০১১ চনলৈ তেওঁ অসম বিধানসভাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছান ৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত